লেনদেন লিপিবদ্ধকৰণ-II
Recording of Transactions-II

4

তোমালোকে তৃতীয় অধ্যায়ত জানিব পাৰিছা যে ব্যৱসায়ৰ লেনদেন সমূহ প্ৰথমে জাবেদাত লিপিবদ্ধ কৰা হয় আৰু পিছত খতিয়ন হিচাপলৈ স্থানান্তৰ কৰা হয়। এটা সৰু ব্যৱসায় প্ৰতিষ্ঠানে সকলোবোৰ লেনদেন এটা বহী অৰ্থাৎ জাবেদাত লিপিবদ্ধ কৰিব পাৰে কিন্তু ব্যৱসায়ে প্ৰসাৰ লাভ কৰিলে আৰু লেনদেনৰ সংখ্যা বৃদ্ধি পালে প্ৰতিটো লেনদেনক জাবেদাভুক্ত কৰাটো কঠিন হৈ পৰে। সেইবাবে লেনদেনসমূহ কম সময়ৰ ভিতৰত (তৎক্ষণিক), যোগ্যভাবে আৰু সঠিকভাবে লিপিবদ্ধ কৰাৰ বাবে জাবেদাক বিভাজন কৰি বিশেষ জাবেদা (Special Journal) কৰা হয়। ব্যৱসায়ৰ বহুসংখ্যক লেনদেন সঘনাই ঘটি থকা ধৰণৰ। তেনে লেনদেনসমূহ সহজেই বিশেষ জাবেদাত লিপিবদ্ধ কৰিব পাৰি অৰ্থাৎ একেধৰণৰ সকলোবোৰ লেনদেন এটা বহীত লিখিব পাৰি। উদাহৰণস্বৰূপে, সকলোবোৰ নগদ লেনদেন এটা বহীত, বাকীত বিক্ৰয়ৰ সকলোবোৰ লেনদেন অন্য এটা বহীত আৰু বাকীত ক্ৰয়ৰ সকলোবোৰ লেনদেন অন্য এটা বহীত লিপিবদ্ধ কৰিব পাৰি। বিশেষ জাবেদাক দৈনিক বহী (Day Book) অথবা সহায়কাৰী বহী (Subsidiary Book) বুলিও কোৱা হয়। যিবিলাক লেনদেন কোনো এটা বিশেষ জাবেদাত লিখিব নোৱাৰি তেনে লেনদেন বিলাক অন্য এটা জাবেদাত লিপিবদ্ধ কৰা হয়। যাক প্ৰকৃত জাবেদা (Journal Proper) বুলি কোৱা হয়। বিশেষ জাবেদা মিতব্যয়ী আৰু ইয়ে হিচাপকৰণৰ কাৰ্য্যৰ শ্ৰমবিভাজন আনে। এই অধ্যায়ত আমি তলত দিয়া বিশেষ জাবেদা বহীৰ বিষয়ে আলোচনা কৰিম ঃ

শিকাৰ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিচত তোমালোকে

- বিশেষ উদ্দেশ্যৰ বহীৰ আৱশ্যকতা ক'ব পাৰিবা
- ৰোকৰ বহী লিপিবদ্ধ আৰু সিবিলাকক খতিয়নভুক্ত
- খুচুৰা ৰোকৰ বহী প্ৰস্তুত
- বিশেষ উদ্দেশ্যৰ বহীত লেনদেন লিপিবদ্ধ
- বিশেষ উদ্দেশ্যৰ বহীৰ পৰা খতিয়নলৈ স্থানান্তৰ
- খতিয়ন হিচাপসমূহ সন্তুলন কৰিব পাৰিবা।

- নগদ বহী বা ৰোকৰ বহী (Cash Book)
- ক্ৰয় বহী (Purchases Book)
- ক্ৰয় ফিৰৎ বহী (Purchases return) বা বৰ্হিগত ফিৰৎ বহী (Return Outward Book)
- বিক্ৰয় বহী (Sales Book)
- বিক্ৰয় ফিৰৎ বহী (Sales Return Book) বা আগত ফিৰৎ বহী (Return Inward Book)
- প্ৰকৃত জাবেদা (Journal Proper)

4.1. **নগদ বা ৰোকৰ বহী** (Cash Book)

নগদ ধন প্ৰাপ্তি আৰু নগদ ধন পৰিশোধ কৰা লেনদেনবোৰ নগদ বহীত লিপিবদ্ধ কৰা হয়। হিচাপকালৰ সময়চোৱাৰ আৰম্ভণি নগদ ধন অথবা বেংকত জমাৰ উদ্বৃত্তৰ পৰিমাণেৰে এই বহী আৰম্ভ হয়। সাধাৰণতে মাহেকীয়া ভিত্তিত ইয়াক প্ৰস্তুত কৰা হয়। নগদ বহীৰ বিষয়ে সকলোৱে জানে আৰু ডাঙৰ-সৰু, লাভ অৰ্জন কৰা, লাভ অৰ্জন নকৰা সকলোধৰণৰ অনুষ্ঠান প্ৰতিষ্ঠানে ইয়াক প্ৰস্তুত কৰে। এই বহীয়ে জাবেদা আৰু খতিয়ন (নগদ) হিচাপ দুয়োটাৰে উদ্দেশ্য পূৰণ কৰে। ইয়াক আকৌ প্ৰাথমিক প্ৰবিষ্টিৰ বহী (Books of original entry) বুলিও কোৱা হয়। নগদ বহী প্ৰস্তুত ক ৰিলে নগদ লেনদেন সমূহ জাবেদাত লিপিবদ্ধ কৰিব নালাগে আৰু খতিয়নত নগদ বা বেংকৰ বাবে পৃথকে হিচাপ ৰখাৰ কোনো দৰকাৰ নাই।

4.1.1 একস্তম্ভযুক্ত নগদ বহী (Single Column Cash Book)

ব্যৱসায়ৰ সকলোবোৰ নগদ লেনদেন তাৰিখৰ ক্ৰম অনুসৰি একস্তম্ভযুক্ত নগদ বহীত লিপিবদ্ধ কৰা হয়। অৰ্থাৎ নগদ প্ৰাপ্তি আৰু নগদ পৰিশোধৰ ই এক সম্পূৰ্ণ দলিল। যেতিয়া ব্যৱসায় প্ৰতিষ্ঠানে নগদ প্ৰাপ্তি আৰু নগদ পৰিশোধসমূহ কেৱল নগদ ধনেৰে কৰে, নগদ বহীৰ প্ৰতিটো দিশ (ডেবিট আৰু ক্ৰেডিট) ত ধনৰ পৰিমাণৰ বাবে মাত্ৰ এটাকৈ স্তম্ভ ৰখা হয়। একস্তম্ভযুক্ত নগদ বহীৰ নমুনা 4.1 ত দিয়া হ'ল।

নগদ বা ৰোকৰ বহী (Cash Book)

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	খঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	খঃ পৃঃ	টকাৰ পৰিমাণ

চিত্ৰ 4.1: *একস্তম্ভযুক্ত নগদ বহীৰ নমুনা*

একস্তম্ভযুক্ত নগদ বহীত লিপিবদ্ধকৰণ আৰু ইয়াৰ উদ্বৃত্ত কেনেকৈ নিৰ্দ্ধাৰণ কৰা হয় তাক এটা উদাহৰণৰ সহায়ত ব্যাখ্যা কৰা হ'ল। নিম্নলিখিত লেনদেনসমূহ মেচাৰ্চ ৰূপা ট্ৰেডাৰ্চৰ বুলি

ধৰি লৈ ইবিলাকক কেনেদৰে একস্তম্ভযুক্ত নগদ বহীত লিপিবদ্ধ কৰা মন কৰা -

তাৰিখ	ব্যাখ্যা	টকাৰ পৰিমাণ টকা
2005		
নবেম্বৰ, 01	হাতে জমা নগদ টকা	30,000
নবেম্বৰ, 04	গুৰমিটৰ পৰা নগদ প্ৰাপ্তি	12,000
নবেম্বৰ, 08	বীমাধন পৰিশোধ (বাৰ্ষিক কিস্তি)	6,000
নবেম্বৰ, 13	আচবাব ক্ৰয়	13,800
নবেম্বৰ, 16	নগদ বিক্ৰী	28,000
নবেম্বৰ, 17	মুদিটৰ পৰা পণ্য নগদ ক্ৰয়	17,400
নবেম্বৰ, 20	মনোহাৰী ক্ৰয়	1,100
নবেম্বৰ, 24	হিচাপ নিষ্পত্তিৰ বাবদ ৰুকমনিক নগদ পৰিশোধ	12,500
নবেম্বৰ, 27	কমলক নগদ ধনৰ বাবে পণ্য বিক্ৰী	18,200
নবেম্বৰ, 30	মাহেকীয়া ভাড়া প্ৰদান	2,500
নবেম্বৰ, 30	দৰমহা প্ৰদান	3,500
নবেম্বৰ, 30	বেংকত জমা দিয়া	8,000

ৰূপা ট্ৰেডাৰ্চ

নগদ বহী (Cash Book)

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	খঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	খঃ পৃঃ	টকাৰ পৰিমাণ টকা
2005				2005			
নবে, 1	উদ্বৃত্ত, আগৰপৰা		30,000	নবে, 8	বীমা		6,000
নবে, 04	গুৰমিট		12,000	নবে, 13	আচবাব		13,800
নবে, 16	বিক্ৰী		28,000	নবে, 17	ক্ৰয়		17,400
নবে, 27	বিক্ৰী		18,200	নবে, 20	মনোহাৰী		1,100
				নবে, 24	ৰুকমণি		12,500
				নবে, 30	ভাড়া		2,500
				নবে, 30	দৰমহা		3,500
				নবে, 30	বেংক		8,000
				নবে, 30	উদ্বৃত্ত,আগলৈ		23,400
			88,200				88,200
	উদ্বৃত্ত, আগৰ পৰা		23400				

***একস্তম্ভ যুক্ত নগদবহীভুক্তকৰণ** (Posting of the Single Column Cash Book)*

উদাহৰণ 4.1ত দেখা গ'ল যে নগদ বহীৰ বাওঁফালটোৰে নগদ ধন প্ৰাপ্তি আৰু নগদ বহীৰ সোঁফালটোৱে নগদ ধনৰ পৰিশোধ বুজাইছে। নগদ বহীৰ ডেবিট দিশত লিখা হিচাপসমূহক নিজ নিজ খতিয়ন হিচাপত ক্ৰেডিট কৰা হয় কাৰণ সিবিলাকৰ পৰা নগদ ধন পোৱা হৈছে। এনেদৰে আমাৰ উদাহৰণটোত নগদ বহীৰ ডেবিট দিশত লিখা 'গুৰমিটৰ পৰা নগদ প্ৰাপ্তি' য়ে বুজাইছে যে গুৰমিটৰ পৰা নগদ টকা পোৱা হৈছে, গতিকে খতিয়নত গুৰমিটৰ হিচাপক ক্ৰেডিট কৰাৰ বাবে ক্ৰেডিট দিশৰ বিৱৰণ শিতানত 'নগদ' লিখিব লাগে। একেধৰণে, নগদ বহীৰ ক্ৰেডিট দিশত লিখা সকলোবোৰ হিচাপক ডেবিট কৰিব লাগিব যিহেতু নগদ ধন বা চেক প্ৰদান কৰা হৈছে। এতিয়া আমাৰ উদাহৰণটোৰ লেনদেনবোৰ খতিয়ন হিচাপলৈ কেনেদৰে স্থানান্তৰ কৰা হৈছে লক্ষ্য কৰা ঃ

ৰূপা ট্ৰেডাৰ্চৰ বহীত (Books of Roopa Traders)

গুৰমিটৰ হিচাব (Gurmeet's Account)

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
				2005 নবে, 04	নগদ		12,000

বিক্ৰয় হিচাপ (Sales Account)

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
				2005 নবে 16 27	নগদ নগদ		28,000 18,200

বীমা হিচাপ (Insurance Account)

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005 নবে 04	নগদ		6,000				

আচবাব হিচাপ (Furniture Account)

ডেঃ ক্ৰে ঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005 নবে 13	নগদ		13,800				

ক্ৰয় হিচাপ (Purchases Account)

ডেঃ ক্ৰে ঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005 নবে 17	নগদ		17,400				

মনোহাৰী হিচাপ (Stationery Account)

ডেঃ ক্ৰে ঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005 নবে 20	নগদ		1,100				

ৰুকমণিৰ হিচাপ (Rukmani's Account)

ডেঃ ক্ৰে ঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005 নবে 24	নগদ		12,500				

ভাড়া হিচাপ (Rent Account)

ডেঃ ক্ৰে ঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005 নবে 30	নগদ		2,500				

ডেঃ **দৰমহা হিচাপ** (Salary Account) ক্রেঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005 নবে 30	নগদ		3,500				

ডেঃ **বেংক হিচাপ** (Bank's Account) ক্রেঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005 নবে 30	নগদ		8,000				

4.1.2. দ্বি-স্তম্ভযুক্ত নগদ বহী (Double Column Cash Book)

এনে নগদ বহীত প্ৰতিটো দিশত টকাৰ পৰিমাণৰ বাবে দুটাকৈ স্তম্ভ ৰখা হয়। প্ৰকৃততে, আজিকালি বেংক লেনদেনৰ সংখ্যা বহুত। পৰাপক্ষত বহুতো প্ৰতিষ্ঠানে সকলো প্ৰাপ্তি আৰু পৰিশোধৰ লেনদেন বেংকৰ জৰিয়তে কৰে।

ব্যৱসায়ী এজনে সাধাৰণতে বেংকত এটা চলিত হিচাপ (Current Account) খোলে। বেংকে চলিত হিচাপত থকা জমা উদ্বৃত্তৰ ওপৰত কোনো সুদ প্ৰদান নকৰে কিন্তু তেওঁলোকে প্ৰদান থকা কৰা সেৱাৰ বিনিময়ত 'আনুসাঙ্গিক ভৰণি' (Incidental Charge) নামৰ কম পৰিমাণৰ ধনৰ এবিধ ভৰণি হিচাবে কাটি ৰাখে।

বেংক হিচাপত নগদ টকা অথবা চেক জমা দিয়াৰ বাবে এখন প্ৰ-পত্ৰ পূৰণ কৰিব লাগে, যাক ধন জমা দিয়া পত্ৰ (Pay-in-slip) বুলি কোৱা হয় (4·2 চিত্ৰত চোৱা)। এই পত্ৰত প্ৰতিলিপি এখনো সংলগ্ন হৈ থাকে যিখন নগদৰক্ষকে (Cashier) ধন পোৱা বুলি চহী কৰি গ্ৰাহকক (ধন জমা দিওঁতাক) ঘূৰাই দিয়ে।


State Bank of India
Branch
200
A/C No.
For the Credit of
Amount (in words) Rupees

Details of Cash/Cheques	Rs.	P.
Total Rs.		

Cashier | Cash/Passing Officer

State Bank of India
Branch
CA/SB/RD/CC/DL/TL Account Pay-in-Slip
Date 200
Note : Please use separate slip for depositing Cash and Cheques Drafts etc.
For the Credit of the Account of (Name)
Instalment for *
Amount (in words) Rupees
A/C No.

PARTICULARS OF	CHEQUES		CASH		
Drawn on Bank	Branch	Cheque No.	Cash Notes	Amount Rs.	P.
			X 1000		
			X 500		
			X 100		
			X 50		
			X 20		
			X 10		
			Coins		

Cashier's Scroll No. | Cashier | Cash Officer's Passing Officer | Jotting Book | Partition No. | Total Rs.
Deposited by (Signature)

চিত্ৰ 4.2


दिनांक / Date ....../....../200......
PAY
या धारक को OR BEARER
रुपये RUPEES
अदा करें
रु.Rs.
खा.सं. A/c. No. 20011582390
भारतीय स्टेट बैंक
State Bank of India SBIN0006196
GUWAHATI REF COMP (NOONMATI)
GUWAHATI
GUWAHATI
DIST:KAMRUP, ASSAM 781020
⑈324907⑈ 781002009⑆ 003751⑈ 10

চিত্ৰ 4.3

বেংকে জমাকৰীক ধন উলিয়াবৰ বাবে উকা চেক বা ধনাদেশ বিলি কৰে। (চিত্ৰ 4.3 চোৱা)। জমাকাৰীয়ে যিজনক ধন প্ৰদান কৰিব বিচাৰে তেওঁৰ নামটো চেকত ছপা আখৰেৰে লিখা 'প্ৰদান কৰক' (Pay) শব্দটোৰ পিছত লিখিব লাগে। চেকত বাহক শব্দটোও লিখা থাকে, ইয়াৰ অৰ্থ এইটোৱে যে চেকত প্ৰদান কৰক শব্দটোৰ পিছত যাৰ নাম থাকে অথবা চেকৰ বাহকক ধন প্ৰদান কৰিব লাগে। যদি বাহক শব্দটো কাটি দিয়া হয় তেতিয়া চেকখনক 'আদেশ চেক' (Order cheque) বুলি কোৱা হয়। ইয়াৰ অৰ্থ হ'ল চেকত লিখা নামৰ ব্যক্তি বা তেওঁ আদেশ কৰা ব্যক্তিক প্ৰকৃত চিনাক্তকৰণৰ পিছত চেকৰ ধন প্ৰদান কৰিব লাগে।

ব্যৱহাৰিক ক্ষেত্ৰত সাধাৰণতে চেক ৰেখাংকণ (crossed) কৰা হয়। ৰেখাংকিত চেকৰ ধন পোনপটীয়াকৈ কোনো ব্যক্তিক প্ৰদান কৰা নহয়। ইয়াক বেংকৰ জৰিয়তেহে প্ৰদান কৰা হয়। যিবোৰ চেকৰ ওপৰত সমান্তৰালকৈ দুডাল ৰেখা আঁকি দিয়ে তেনে চেকক ৰেখাংকিত চেক বোলা হয়। ধন প্ৰদানৰ সুৰক্ষাৰ বাবে ব্যৱহাৰ হোৱা বিভিন্ন ৰেখাংকন চিত্ৰ 4.4 ত দিয়া হ'ল।



চিত্ৰ 4.4 *ৰেখাংকণৰ বিভিন্ন প্ৰকাৰ*

মাত্ৰ 'প্ৰাপকক হিচাপত প্ৰদেয়' (A/c Payee only) ৰেখাংকণৰ ক্ষেত্ৰত চেকৰ ধন চেকত উল্লেখ কৰা ব্যক্তিৰ বেংক হিচাপতহে জমা হয়। যেতিয়া সমান্তৰাল ৰেখা দুডালৰ মাজত বেংকৰ নাম লিখা হয় তেতিয়া ইয়াক বিশেষ ৰেখাংকণ (Special Crossing) বুলি কোৱা হয় আৰু ৰেখা দুডালৰ মাজত উল্লেখ কৰা বেংককহে চেকৰ ধন প্ৰদান কৰা হয়।

যদি চেকখন প্ৰাপকৰ হিচাপত প্ৰদেয় নহয়, প্ৰাপকে (চেকত উল্লেখ কৰা ধন প্ৰদান কৰিবলগীয়া ব্যক্তি) চেক অন্য ব্যক্তিলৈ হস্তান্তৰ কৰিব পাৰে যদিও কেতিয়াবাহে এনে কৰা হয়। বাহক চেক এখন প্ৰদানৰ দ্বাৰাই হস্তান্তৰ কৰিব পাৰি। 'আদেশ চেক' পৃষ্ঠাংকণ (Endorsement) আৰু প্ৰদানৰ দ্বাৰা হস্তান্তৰ কৰিব পাৰি। পৃষ্ঠাংকণ মানে হ'ল চেকৰ পিছফালে চহী কৰি কোনো নিৰ্দ্দিষ্ট ব্যক্তিক চেকৰ ধন প্ৰদান কৰিবলৈ দিয়া নিৰ্দেশ।

বেংক লেনদেনৰ সংখ্যা অধিক হ'লে এনে লেনদেনসমূহ জাবেদাত লিপিবদ্ধ কৰাৰ সলনি নগদ বহীত বেংক লেনদেনৰ পৰিমাণৰ বাবে এটা পৃথক স্তম্ভ ৰাখি লিপিবদ্ধ কৰিবলৈ বেছি সুবিধা

হয়। ইয়াৰ সহায়ত মাজে সময়ে বেংক (হিচাপ) ৰ উদ্বৃত্তৰ বিষয়ে জানিব পাৰি। নগদ লেনদেনৰ বাবে বেংকৰ প্ৰদান কৰা লেনদেনবোৰ বাঁওফালে আৰু বেংকৰ পৰা আহৰণ কৰা অথবা বেংকৰ জৰিয়তে প্ৰদান কৰা লেনদেনসমূহ সোঁফালে লিপিবদ্ধ কৰা হয়। বেংকত নগদ টকা জমা দিলে অথবা বেংকৰ পৰা নগদ টকা আহৰণ (Withdrawal) কৰিলে দুয়োবিধ লেনদেন নগদ বহীত লিখিব লাগে। ইয়াক এই কাৰণে কৰা হয় যে লেনদেনৰ দুয়োটা দিশেই একমাত্ৰ নগদ বহীত লিখিব লাগে। বেংকত নগদ টকা জমা দিলে, জমা দিয়া পৰিমাণটো বাঁওফালে বেংক স্তম্ভত লিখিব লাগে আৰু একে সময়তে একে পৰিমাণ সোঁফালে নগদ টকা স্তম্ভত লিখিব লাগে। ইয়াৰ বিপৰীতে, প্ৰতিষ্ঠানৰ কাৰ্যালয়ৰ বাবে নগদ টকা বেংকৰ পৰা আহৰণ কৰিলে ওপৰত কোৱাৰ বিপৰীত ধৰণৰ প্ৰবিষ্টি লিখা হয়। এনেবোৰ প্ৰবিষ্টিত খতিয়ন পৃষ্ঠাৰ স্তম্ভত 'C' শব্দটো লিখিব লাগে। 'C' মানে হ'ল বিপৰীত যাক নগদ বহীৰ 'খতিয়ন পৃষ্ঠা' স্তম্ভত লিখা হয় আৰু ইয়াৰ বাবে খতিয়ন হিচাপত স্থানান্তৰ কৰিব নালাগে।

নগদ স্তম্ভৰ উদ্বৃত্ত উলিওৱাৰ দৰে বেংক স্তম্ভতো উদ্বৃত্ত উলিওৱা হয়। অৱশ্যে বেংকৰ পৰা জমাতিৰিক্ত (overdraft) গ্ৰহণ কৰিলে ক্ৰেডিট উদ্বৃত্ত দেখুৱাব পাৰে। জমাতিৰিক্ত হ'ল বেংকত জমা থকা পৰিমাণতকৈ অধিক টকা আহৰণ কৰা। চেক (ধনাদেশ) পালে নগদ বহীৰ বেংক স্তম্ভত লিখিব লাগে। চেক পালে ইয়াক পোৱাৰ দিনাই বেংকত জমা দিব পাৰে অথবা অন্য এদিনও জমা দিব পাৰে। যদি চেকখন পোৱাৰ দিনাই বেংকত জমা দিয়ে নগদ বহীৰ প্ৰাপ্তিৰ শিতানৰ বেংক স্তম্ভত লিখা হয়। আকৌ যদি চেকখন অন্য এদিন জমা দিয়ে তেতিয়া প্ৰাপ্তিৰ দিনা চেকখনৰ পৰিমাণটো নগদ প্ৰাপ্তি বুলি ধৰি লৈ প্ৰাপ্তি শিতানত নগদ স্তম্ভ লিখা হয়। চেকখন বেংকত জমা দিয়াৰ দিনটোত প্ৰাপ্তি (Dr.) শিতানত বেংক স্তম্ভত আৰু পৰিশোধ (Cr.) শিতানত নগদ স্তম্ভত লিখা হয়। এইটো এটা বিপৰীত প্ৰবিষ্টি (Contra Entry)।

কোনো গ্ৰাহকৰ পৰা চেক যদি প্ৰত্যাখ্যান হয়, বেংকে প্ৰত্যাখ্যান হোৱা চেকখন ঘূৰাই দিয়ে আৰু ব্যৱসায়ৰ হিচাপ ডেবিট কৰে। এনে চেক বেংকে ঘূৰাই দিলে বা বেংকে গ্ৰাহকক জাননী দিলে নগদ বহীৰ ক্ৰেডিট দিশত প্ৰত্যাখ্যান হোৱা চেকৰ ধনৰ পৰিমাণ বেংক স্তম্ভত লিখি বিৱৰণীত সেই গ্ৰাহকজনৰ নাম লিখিব লাগে। এনেদৰে লিখিলে গ্ৰাহকজনৰ পৰা চেক পোৱা আৰু বেংকে প্ৰত্যাখ্যান কৰাৰ আগত থকা অৱস্থাটো বাহাল থাকে। চেক প্ৰত্যাখ্যান হোৱা মানে ধন পৰিশোধ নকৰি চেকখন ঘূৰাই দিয়া। সাধাৰণতে গ্ৰাহকৰ বেংক হিচাপত উপযুক্ত পৰিমাণৰ ধন জমা নাথাকিলে চেক প্ৰত্যাখ্যান হয়।

বেংকে সুদ, দস্তুৰি বা অন্যান্য ভৰণিৰ বাবদ প্ৰতিষ্ঠানৰ হিচাপ ডেবিট কৰিলে নগদ বহীৰ ক্ৰেডিট পক্ষৰ বেংক স্তম্ভত লিখিব লাগে। যদি বেংকে ব্যৱসায়ৰ হিচাপ ক্ৰেডিট কৰে নগদ বহীৰ ডেবিট পক্ষৰ বেংক স্তম্ভত লিখিব লাগে। দ্বি-স্তম্ভযুক্ত নগদ বহীৰ আৰ্হি তলত চিত্ৰ 4·5 ত দিয়া

ওপৰত দিয়া ব্যৱসায়ৰ লেনদেনবোৰৰ বাবে দ্বি-স্তম্ভযুক্ত নগদ বহী এনেদৰে প্ৰস্তুত কৰা হয়-

নগদ বহী (Cash Book)

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	খঃ পৃঃ	নগদ টকা	বেংক টকা	তাৰিখ	বিৱৰণ	খঃ পৃঃ	নগদ টকা	বেংক টকা

চিত্ৰ 4·5 : *দ্বি-স্তম্ভযুক্ত নগদ বহীৰ আৰ্হি*

দ্বি-স্তম্ভযুক্ত নগদ বহীত লেনদেনসমূহ কেনেদৰে লিখা হয় এতিয়া শিকো আহা।

তলত দিয়া উদাহৰণটো ধৰি লোৱা—

নিম্ন লিখিত লেনদেনবোৰ মেচাৰ্চ টুলচ্ ইণ্ডিয়াৰ

তাৰিখ	বিশদ	ধনৰ পৰিমাণ টকা
2005		
চেপ্তেম্বৰ, 01	বেংক উদ্বৃত্ত	42,000
চেপ্তেম্বৰ, 01	নগদ টকা উদ্বৃত্ত	15,000
চেপ্তেম্বৰ, 04	চেকৰ দ্বাৰা পণ্য ক্ৰয়	12,000
চেপ্তেম্বৰ, 08	নগদ বিক্ৰী	6,000
চেপ্তেম্বৰ, 13	চেকৰ দ্বাৰা যন্ত্ৰপাতি ক্ৰয়	5,500
চেপ্তেম্বৰ, 16	পণ্য বিক্ৰী আৰু চেক প্ৰাপ্তি (একে দিনতেই জমা)	4,500
চেপ্তেম্বৰ, 17	মৃদুলাৰ পৰা নগদ ধনেৰে পণ্য ক্ৰয়	17,400
চেপ্তেম্বৰ, 20	চেকৰ দ্বাৰা মনোহাৰী ক্ৰয়	1,100
চেপ্তেম্বৰ, 24	ৰোহিতক চেক প্ৰদান	1,500
চেপ্তেম্বৰ, 27	বেংকৰ পৰা নগদ ধন আহৰণ	10,000
চেপ্তেম্বৰ, 30	চেকেৰে ভাড়া প্ৰদান	2,500
চেপ্তেম্বৰ, 30	দৰমহা প্ৰদান	3,500

ওপৰত দিয়া ব্যৱসায়ৰ লেনদেনবোৰৰ বাবে দ্বি-স্তম্ভযুক্ত নগদ বহী এনেদৰে প্ৰস্তুত কৰা হয়-

নগদ বহী (Cash Book)

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	খঃ পৃঃ	নগদ টকা	বেংক টকা	তাৰিখ	বিৱৰণ	খঃ পৃঃ	নগদ টকা	বেংক টকা
2005					2005				
চেপ্তে, 01	উদ্বৃত্ত আগৰ পৰা		15,000	42,000	চেপ্তে, 04	ক্ৰয়			12,000
চেপ্তে, 08	বিক্ৰী		6,000		চেপ্তে, 13	যন্ত্ৰপাতি			5,500
চেপ্তে, 16	বিক্ৰী			4,500	চেপ্তে, 17	ক্ৰয়		17,400	
চেপ্তে, 27	বেংক	বি	1,000		চেপ্তে, 20	মনোহাৰী			1,100
					চেপ্তে 24	ৰোহিত			1,500
					চেপ্তে 27	নগদ	বি		10,000
					চেপ্তে 30	ভাড়া			2,500
					চেপ্তে 30	দৰমহা		3,500	
					চেপ্তে 30	উদ্বৃত্ত, আগলৈ		10,100	13,900
			31,000	46,500				31,000	46,500
অক্টো 01	উদ্বৃত্ত, আগৰ পৰা		10,100	13,900					

দ্বি-স্তম্ভযুক্ত নগদ বহীৰ পৰা স্থানান্তৰ

নগদ বহীত বেংক স্তম্ভ ৰাখিলে, খতিয়নত বেংকৰ বাবে হিচাপ খোলা নহয়। বেংক স্তম্ভই বেংক হিচাপৰ উদ্দেশ্য পূৰণ কৰে। নগদ বহীৰ পৰা খতিয়নলৈ স্থানান্তৰ কৰাৰ সময়ত 'বি' (C) (আগতে উল্লেখ কৰা বিপৰীত প্ৰবিষ্টি) সমূহ বাদ দিয়া হয়। এনে প্ৰবিষ্টিয়ে নগদ টকাৰ ডেবিট বা ক্ৰেডিট হিচাপৰ বিপৰীতে বেংক হিচাপ থকা বুজায় অথবা ইয়াৰ বিপৰীতভাবেও বুজায়। এতিয়া দ্বি-স্তম্ভযুক্ত নগদ বহীত লিপিবদ্ধ কৰা লেনদেনসমূহ কেনেদৰে নিজ নিজ খতিয়ন হিচাপলৈ স্থানান্তৰ কৰা হয় লক্ষ্য কৰা।

ডেঃ **ক্ৰয় হিচাপ** (Purchases Account) ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005							
চেপ্তে, 05	বেংক		12,000				
চেপ্তে, 17	নগদ		17,400				

ডেঃ **বিক্ৰয় হিচাপ** (Sales Account) ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
				2005			
				চেপ্তে, 08	বেংক		6,000
				চেপ্তে, 16	নগদ		4,500

ডেঃ **যন্ত্ৰপাতি হিচাপ** (Machinery Account) ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005							
চেপ্তে 13	বেংক		5,500				

ডেঃ **মনোহাৰী হিচাপ** (Stationery Account) ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005							
চেপ্তে 20	বেংক		1,100				

ডেঃ **ৰোহিতৰ হিচাপ** (Rohit's Account) ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005							
চেপ্তে 24	বেংক		1,500				

ডেঃ **ভাড়া হিচাপ** (Rent Account) ক্রেঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005 চেপ্তে 30	বেংক		2,500				

ডেঃ **দৰমহা হিচাপ** (Salary Account) ক্রেঃ

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005 চেপ্তে 30	নগদ		3,500				

4.1.3. খুচুৰা নগদ (ৰোকৰ) বহী (Petty Cash Book)

প্ৰতিটো সংগঠনতেই যাতায়াত, গাড়ীভাড়া, ডাকটিকট, টেলিগ্ৰাম আৰু অন্যান্য খৰছ (সন্মিলিতভাৱে 'বিভিন্ন খৰচ' হিচাপে লিপিবদ্ধ কৰা) আদিৰ দৰে অসংখ্য কম কম পৰিমাণৰ ধন পৰিশোধ কৰা হয়। এইবিলাক সাধাৰণতে সঘনাই হৈ থকা ধৰণৰ। যদি এই সকলোবিলাক পৰিশোধৰ ক্ষেত্ৰত ধনৰক্ষকে (Cashier) হস্তক্ষেপ কৰিবলগীয়া হয় আৰু মূল নগদ বহীত লিখিব লগা হয় গোটেই পদ্ধতিটোৱে জটিল হৈ পৰিব। ধনৰক্ষকজনৰ ওপৰত অত্যধিক কামৰ বোজা পৰিব আৰু নগদ বহীটোৱো বৃহৎ আকাৰৰ হৈ পৰিব। এইবিলাকৰ পৰা হাত সৰাৰ বাবে ডাঙৰ সংগঠনবোৰে সাধাৰণতে অতিৰিক্তভাৱে আন এজন ধনৰক্ষকক (খুচুৰা ধনৰক্ষক) নিয়োগ কৰায় আৰু এই ধৰণৰ লেনদেনসমূহ লিপিবদ্ধ কৰাৰ বাবে এখন পৃথক নগদ বহীৰ ব্যৱস্থা কৰে। খুচুৰা ধনৰক্ষকে ৰখা এনে নগদ বহীক খুচুৰা নগদ বহী বোলে।

খুচুৰা ধনৰক্ষকে 'অগ্ৰিমপ্ৰদত্ত পদ্ধতি' (Imprest system) ত কাম কৰে। এই পদ্ধতিত, এক নিৰ্দ্দিষ্ট ধন, ধৰিলোৱা ২০০০ টকা এক নিৰ্দ্দিষ্ট সময়কালৰ আৰম্ভণিত খুচুৰা ধনৰক্ষকক দিয়ে। এই নিৰ্দ্দিষ্ট পৰিমাণটোক অগ্ৰিম প্ৰদত্ত ধন (Imprest Amount) বুলি কোৱা হয়। খুচুৰা ধনৰক্ষকে এই অগ্ৰিম প্ৰদত্ত ধনৰ পৰা সকলোবোৰ খুচুৰা খৰচ পৰিশোধ কৰে আৰু যেতিয়া এই অগ্ৰিম প্ৰদত্ত ধনৰ পৰা যথেষ্ট পৰিমাণৰ ধন ধৰিলোৱা, 1,780 টকা খৰচ কৰে, তেওঁ খৰচ কৰা ধনখিনি মুখ্য ধনৰক্ষক (Head Cashier)ৰ পৰা ওভতাই লয়। এনেদৰে, পিচৰ সময়চোৱাৰ বাবে অগ্ৰিম প্ৰদত্ত ধনৰ পৰিমাণ

আকৌ একে হৈ যায়। খুচুৰা খৰচৰ পৰিমাণৰ ভিত্তিত ধন উভতাই লোৱা কাৰ্যটো সাপ্তাহিক, পষেকীয়া বা মাহেকীয়াভাৱে কৰা হয় (কিছুক্ষেত্ৰত, খুচুৰা ধন পৰিশোধৰ হিচাপৰক্ষণ মূল নগদ বহীৰ সহায়তো কৰা হয়, এনেক্ষেত্ৰত স্বাধীনভাবে খুচুৰা নগদ বহী এটা ৰখা নহয়।)

খুচুৰা নগদ বহীৰ পৰিশোধ (ক্ৰেডিট) শিতানত ধনৰ পৰিমাণৰ বাবে প্ৰথম স্তম্ভটোৰ উপৰিও সাধাৰণতে আৰু কিছু সংখ্যক স্তম্ভ ৰখা হয়। ধনৰ পৰিমাণৰ প্ৰতিটো স্তম্ভ সঘনাই ঘটি থকা একে শ্ৰেণীৰ খৰচ (পৰিশোধৰ)ৰ বাবে ৰখা হয়। ধনৰ পৰিমাণৰ শেষৰ স্তম্ভটোক বিভিন্ন (Miscellaneous) শিতান হিচাপে ৰাখি একেবাৰে শেষত 'মন্তব্য' নামেৰে এটা স্তম্ভ ৰখা হয়। যিবিলাক পৰিশোধৰ বাবে নিৰ্দ্দিষ্ট স্তম্ভ ৰখা নহয় সিবিলাকক 'বিভিন্ন' নামৰ স্তম্ভটোত লিখা হয়। মন্তব্য স্তম্ভটোত পৰিশোধৰ প্ৰকৃতি লিখা হয়। এক নিৰ্দ্দিষ্ট সময়ৰ অন্তত, ধনৰ পৰিমাণৰ প্ৰতিটো স্তম্ভৰ যোগফল নিৰ্ণয় কৰা হয়। মুঠ ধনৰ পৰিমাণৰ স্তম্ভ '1' টোৱেই খৰচকৰা মুঠ ধনৰ পৰিমাণ আৰু এই পৰিমাণখিনি উভতাই লয়। প্ৰাপ্তি (ডেবিট) শিতানত মাত্ৰ এটা স্তম্ভ থাকে। প্ৰাপ্তি আৰু পৰিশোধ দুয়োটা শিতানৰ তাৰিখ ৰচিদ নং (Voucher) আৰু বিৱৰণৰ এটাকৈ উমৈহতীয়া স্তম্ভ ৰখা হয়।

কোঠালা-I

খুচুৰা নগদ বহী ৰখাৰ সুবিধা

1. ***মুখ্য নগদ ৰক্ষকৰ সময় আৰু কষ্ট ৰাহি***ঃ খুচুৰা পৰিশোধৰ মুখ্য নগদৰক্ষক ব্যস্ত হ'ব নলাগে। বৃহৎ পৰিমাণৰ ধন জড়িত থকা লেনদেনবোৰত মুখ্য নগদৰক্ষকে মনোনিবেশ কৰিব পাৰে। ইয়ে সময় আৰু কামৰ ৰাহি কৰে আৰু মুখ্য নগদৰক্ষকক তেওঁৰ কৰ্ত্তব্যত মনোনিবেশ কৰাত সহায় কৰে।

2. ***নগদ টকা পৰিশোধত উপযুক্ত নিয়ন্ত্ৰণ***ঃ কামৰ বিভাজন হোৱাৰ বাবে নগদ টকাৰ ওপৰত নিয়ন্ত্ৰণ ৰখাটো উজুহৈ পৰে। মুখ্য নগদৰক্ষকে বৃহৎ পৰিমাণৰ পৰিশোধবোৰ প্ৰত্যক্ষভাবে নিয়ন্ত্ৰণ কৰিব পাৰে আৰু খুচুৰা নগদ ৰক্ষকৰ কাম কাজ দৰকাৰী পৰীক্ষা কৰি খুচুৰা পৰিশোধ নিয়ন্ত্ৰণ কৰিব পাৰে। ফলত নগদ ধনৰ প্ৰতাৰণা বা আত্মসাৎ কৰাটো জটিল হৈ পৰে।

3. ***সুবিধাজনক লিখন***ঃ খুচুৰা পৰিশোধ মুখ্য নগদ বহীত লিখিলে ই বৃহৎ আকাৰৰ আৰু ব্যৱহাৰৰ অনুপযোগী হয়। আকৌ বাস্তবতাৰ নীতি অনুসৰি অলাগতিয়াল ব্যাখ্যা নগদ বহীত দেখুৱাৰ নালাগে। এনেদৰে নগদ বহীয়ে কেৱল প্ৰাসঙ্গিক আৰু উপযুক্ত তথ্যৰ যোগান ধৰে।

   বিভিন্ন ধৰণৰ খৰচসমূহৰ মুঠ যোগফলক খতিয়নভুক্ত কৰা হয় বাবে এনে খুচুৰা পৰিশোধবিলাক লিখিবলৈ উজু হয়। ইয়ে সময় ৰাহি কৰে আৰু প্ৰতিটো বিষয়ক খতিয়নভুক্ত কৰাৰ বাবে দিব লগা প্ৰচেষ্টাকো ৰাহি কৰে। মুঠতে কব পাৰি যে খুচুৰা নগদ বহী প্ৰস্তুতকৰণ ব্যয় কৰ্ত্তন আৰু নিয়ন্ত্ৰণৰ এটা আহিলা।

উদাহৰণস্বৰূপে, মেচাৰ্চ চামাইৰা ট্ৰেডাৰ্চৰ খুচুৰা নগদ ৰক্ষক মি. মোহিতে 2005 চনৰ মে মাহৰ 1 তাৰিখে মুখ্য নগদ ৰক্ষকৰ পৰা 2,000 টকা পালে। সেই মাহৰ খুচুৰা খৰচৰ বিশদ বিৱৰণ তলৰ তালিকাত দিয়া হ'ল ঃ

তাৰিখ	বিশদ	টকাৰ পৰিমাণ
2005		
মে' 01	অটো ভাড়া	55
03	ডাক সেৱা	40
04	ডাক টিকট	105
05	ৰবৰ/শ্বাৰ্পনাৰ/পেঞ্চিল/পেড	225
06	দ্ৰুত ডাক সেৱা ভৰণি	98
08	টেক্সি ভাড়া (105 টকা + 90 টকা)	195
08	জলপান	85
10	অটো ভাড়া	60
12	ৰেজিষ্টাৰ্ড ডাক খৰচ	42
13	টেলিগ্ৰাম	34
14	গাড়ী ভাড়া	25
16	কম্পিউটাৰ মনোহাৰী	165
19	বাছ ভাড়া	24
19	এচ.টি.ডি. কল ভৰণি	87
20	কাৰ্যালয় পৰিস্কৰণ আৰু বিশুদ্ধকৰণ (36 টকা +24 টকা)	60
22	জলপান	45
23	ফটো বনোৱা ভৰণি	47
28	ডাক সেৱা	40
29	নমোৱা ভৰণি	40
30	বাছ ভাড়া	15

খুচুৰা নগদ বহীৰ পৰা স্থানান্তৰ *(Posting from Petty Cash Book)*

খুচুৰা নগদ বহী সময়মতে সন্তুলন কৰা হয়। মুঠ প্ৰাপ্তি আৰু মুঠ পৰিশোধৰ পাৰ্থক্যই হ'ল খুচুৰা নগদ ৰক্ষকৰ হাতত জমা থকা টকাৰ পৰিমাণ। এই হাতত জমাৰ পৰিমাণখিনি আগত সময়ৰ বাবে লৈ খুচুৰা নগদ ৰক্ষকে প্ৰকৃততে খৰচ কৰা পৰিমাণৰ ধনখিনি তেওঁক প্ৰদান কৰা হয়। খতিয়নত খুচুৰা নগদ টকাৰ হিচাপ এটা খুলি ইয়াক খুচুৰা নগদ ৰক্ষকক দিয়া ধনৰ পৰিমাণেৰে ডেবিট কৰা হয়। খৰচৰ প্ৰতিটো হিচাপক সময়কালৰ মুঠ খৰচৰ প্ৰমাণেৰে 'খুচুৰা নগদ হিচাপ' লিখি নিজৰ হিচাপত ডেবিট কৰিব লাগে আৰু সেই সময়ছোৱাত খৰচ হোৱা মুঠ পৰিমাণেৰে 'খুচুৰা নগদ বহীৰ অনুসৰি বিভিন্ন' বুলি লিখি খুচুৰা নগদ টকাৰ হিচাপক ক্ৰেডিট কৰিব লাগে। খুচুৰা নগদ টকাৰ হিচাপ সন্তুলন হৈ ই খুচুৰা নগদ ৰক্ষকৰ হাতত জমা থকা প্ৰকৃত নগদ টকাৰ পৰিমাণটো দেখুৱাব।

মাহটোৰ খুচুৰা নগদ বহী এনেদৰে প্ৰস্তুত কৰা হয় -

চামাইৰা ট্ৰেডাৰ্চৰ বহী (Books of Samaira Traders)
খুচুৰা নগদ বহী (Petty Cash Book)

টকা প্ৰাপ্তি	তাৰিখ	বিৱৰণ	ৰচিদ নং	টকা পৰিশোধ	খৰচৰ বিশ্লেষণ				
টকা	2005 মে				ডাক	টেলিফোন আৰু টেলিগ্ৰাম	যাতায়াত	মনোহাৰী	অন্যান্য
2,000	01	নগদ টকা প্ৰাপ্তি							
	02	অটো ভাড়া		55			55		
	03	ডাক সেৱা		40	40				
	04	ডাক টিকট		105	105				
	05	ৰবৰ/শ্বাৰ্পনাৰ/পেঞ্চিল/পেড		225				225	
	06	দ্ৰুত ডাক সেৱা ভৰণি		98	98				
	08	টেক্সি ভাড়া (105 + 90)		195			195		
	08	জলপান		85					85
	10	অটো ভাড়া		60			60		
	12	ৰেজিষ্টাৰ্ড ডাক খৰছ		42	42				
	13	টেলিগ্ৰাম		34		34			
	14	গাড়ী ভাড়া		25					25
	16	কম্পিউটাৰ মনোহাৰী		165				165	
	19	বাছ ভাড়া		24			24		
	19	এচ.টি.ডি. কল ভৰণি		87		87			
	20	কাৰ্যালয় পৰিস্কৰণ আৰু		60					60
	22	বিশুদ্ধকৰণ		45					45
	22	জলপান		47					47
	23	ফটো বনোৱা ভৰণি		40					
	28	ডাক সেৱা		40	40				40
	29	নমোৱা ভৰণি		15			15		
	30	বাছ ভাড়া							
				1,487	325	121	349	390	302
	31	উদ্বৃত্ত, আগলৈ		513					
2,000	জুন			2,000					
513	01	উদ্বৃত্ত, আগৰ পৰা							
1,487	01	নগদ টকা প্ৰাপ্তি							

চামাইৰা ট্ৰেডাৰ্ছৰ বহী (Books of Samaira Traders)

জাবেদা (Journal)

তাৰিখ	বিৱৰণ	খঃ পৃঃ	ডেবিট টকাৰ পৰিমাণ	ক্ৰেডিট টকাৰ পৰিমাণ
2005 মে'01	খুচুৰা নগদ টকাৰ হিচাপ ডে. নগদ টকাৰ হিচাপলৈ (খুচুৰা নগদ ৰক্ষকক টকা প্ৰদান কৰা হ'ল)		2,000	2,000
মে' 31	ডাক হিচাপ ডে. টেলিফোন আৰু টেলিগ্ৰাফ হিচাপ ডে. যাতায়াত হিচাপ ডে. মনোহাৰী হিচাপ ডে. অন্যান্য হিচাপ ডে. খুচুৰা নগদ টকাৰ হিচাপলৈ (খুচুৰা খৰছসমূহক খুচুৰা টকা হিচাপত স্থানান্তৰ)		325 121 349 390 302	1,487
মে' 31	খুচুৰা খৰছ নগদ টকাৰ হিচাপ ডে. নগদ টকাৰ হিচাপলৈ (খুচুৰা নগদ ৰক্ষকক টকা প্ৰদান কৰা হ'ল)		1,487	1,487

খুচুৰা নগদ টকাৰ হিচাপ

(Petty Cash Account)

ডে. ক্ৰে.

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	পৰিমাণ টকা
2005 মে 01	নগদ টকা		2,000	2005 মে 31	বিভিন্ন-খুচুৰা নগদ বহী অনুসৰি		1,487
				মে 31	উদ্বৃত্ত, আগলৈ		513
			2,000				2,000
জুন 01	উদ্বৃত্ত, আগৰ পৰা		513				
01	নগদ টকা		1,487				

ডাক-টিকট হিচাপ

(Postage Account)

ডে. ক্রে.

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ
2005 মে 31	খুচুৰা নগদ টকা		325				

যাতায়াত হিচাপ

(Conveyance Account)

ডে. ক্রে.

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ
2005 মে 31	খুচুৰা নগদ টকা		349				

মনোহাৰী হিচাপ

(Stationery Account)

ডে. ক্রে.

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ
2005 মে 31	খুচুৰা নগদ টকা		390				

বিভিন্ন ব্যয় হিচাপ

(Miscellaneous Expenses Account)

ডে. ক্রে.

তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জাঃ পৃঃ	টকাৰ পৰিমাণ
2005 মে 31	খুচুৰা নগদ টকা		302				

4.1.4. নগদ বহীৰ সন্তুলন (Balancing of Cash Book)

বাওঁফালে নগদ প্ৰাপ্তি (ডেবিট) ৰ সকলোবোৰ লেনদেন আৰু সোঁফালে নগদ পৰিশোধৰ (ক্ৰেডিট) ৰ সকলোবোৰ লেনদেন তাৰিখৰ ক্ৰম অনুসৰি ভৰ্ত্তি কৰা হয়। নগদ বহীৰ ব্যৱস্থা থাকিলে খতিয়নত নগদ টকাৰ হিচাপ এটা পৃথককৈ ৰখা নহয়। হিচাপ এটাক সন্তুলন কৰাৰ দৰেই নগদ বহীক সন্তুলন কৰা হয়। কিন্তু মনত ৰাখিব লাগে যে, নগদ বহীৰ ক্ষেত্ৰত ই সদায় ডেবিট উদ্বৃত্ত দেখুৱায় কাৰণ নগদ পৰিশোধ নগদ প্ৰাপ্তিতকৈ কেতিয়াও বেছি হ'ব নোৱাৰে আৰু সময়ছোৱাৰ আৰম্ভণিত নগদ টকা হাতে জমা থাকে।

নগদ প্ৰাপ্তিৰ দলিলৰ উৎস সাধাৰণতে নগদ ৰক্ষকে বিলি কৰা ৰচিদৰ প্ৰতিলিপি (duplicate copy of the receipt). পৰিশোধৰ বাবে যিকোনো নথি, চালান, বিল, ৰচিদ আদি যাৰ ভিত্তিত পৰিশোধ কৰা হয় এই বিলাক লেনদেনসমূহ নগদ বহীত লিপিবদ্ধ কৰাত দলিলৰ উৎস হিচাপে লোৱা হয়। এনে নথি সমূহক সাধাৰণতে ৰচিদ (Voucher) বুলি কোৱা হয় আৰু ক্ৰমিক নম্বৰ দি ভৱিষ্যত দৰকাৰৰ বাবে আৰু শুদ্ধাশুদ্ধ প্ৰমাণৰ বাবে এটা পৃথক ফাইলত ৰখা হয়।

উদাহৰণ-1

মেচাৰ্চ কুণ্টিয়া ট্ৰেডাৰ্চৰ তলত দিয়া লেনদেনসমূহৰ পৰা একস্তম্ভযুক্ত নগদ বহী প্ৰস্তুত কৰা ঃ

তাৰিখ	বিশদ (ব্যাখ্যা)	টকাৰ পৰিমাণ
2005		টকা
চেপ্তেম্বৰ 01	হাতে জমা নগদ টকা	40,000
চেপ্তেম্বৰ 02	বেংকক জমা দিয়া	16,000
চেপ্তেম্বৰ 04	পুনিতৰ পৰা পাবলগীয়া 12,000 টকা সম্পূৰ্ণ নিষ্পত্তিত প্ৰাপ্তি	11,700
চেপ্তেম্বৰ 05	ৰূকমনিক দিবলগীয়া 7,000 টকা সম্পূৰ্ণ নিষ্পত্তিৰ বাবে পৰিশোধ	6,800
চেপ্তেম্বৰ 06	সুধিৰক নগদ টকাত পণ্য বিক্ৰী	14,800
চেপ্তেম্বৰ 06	মালিকৰ ঘৈণীয়েকৰ বীমাৰ বাবে তিনিমহীয়া বীমা কিস্তি পৰিশোধ	2,740
চেপ্তেম্বৰ 07	কাৰ্যালয়ৰ আচবাব ক্ৰয়	8,000
চেপ্তেম্বৰ 07	মনোহাৰী ক্ৰয়	1,700

চেপ্তেম্বৰ 07	গাড়ী ভাড়া	120
চেপ্তেম্বৰ 10	কমলক পৰিশোধ কৰিলে আৰু তেওঁ বাট্টা দিলে 200 টকা	6,800
চেপ্তেম্বৰ 11	গুৰমিটৰ পৰা প্ৰাপ্তি আৰু তেওঁক বাট্টা দিয়া হ'ল 500 টকা	14,500
চেপ্তেম্বৰ 12	ঘৰুৱা খৰচৰ বাবে ধন আহৰণ	5,000
চেপ্তেম্বৰ 14	বিদ্যুতৰ বিল পৰিশোধ	1,160
চেপ্তেম্বৰ 17	পণ্য নগদ বিক্ৰী	23,000
চেপ্তেম্বৰ 21	কমলৰ পৰা নগদ ভিত্তিত পণ্য ক্ৰয়	17,000
চেপ্তেম্বৰ 24	টেলিফোন ভৰণি পৰিশোধ	2,300
চেপ্তেম্বৰ 26	ডাক ভৰণি পৰিশোধ	520
চেপ্তেম্বৰ 28	মাহেকীয়া ভাড়া পৰিশোধ	4,200
চেপ্তেম্বৰ 29	মাহেকীয়া মজুৰি আৰু দৰমহা পৰিশোধ	8,250
চেপ্তেম্বৰ 29	পণ্য নগদ ক্ৰয়	11,000
চেপ্তেম্বৰ 30	পণ্য নগদ বিক্ৰী	15,600

সমাধান

কুন্টিয়া ট্ৰেডাৰ্ছৰ বহী (Books of Kuntia Traders)
নগদ বহী (Cash Book)

ডে. ক্ৰে.

তাৰিখ	বিবৰণ	খ. পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	খ পৃ.	টকাৰ পৰিমাণ
2005				2005			
চেপ্তে 01	উদ্বৃত্ত, আগৰ পৰা		40,000	চেপ্তে 02	বেংক		16,000
04	পুনীট		11,700	05	ৰূকমণি		6,850
06	বিক্ৰয়		14,800	06	আহৰণ		2,740
11	গুৰমিট		14,500	07	কাৰ্যালয় আচবাব		8,000
17	বিক্ৰয়		23,000	07	মনোহাৰী		1,700
30	বিক্ৰয়		15,600	07	গাড়ী ভাৰা		120
				10	কমল		6,800
				12	আহৰণ		5,000
				14	বিদ্যুৎ ভৰণি		1,160
				21	ক্ৰয়		17,000
				24	টেলিফোন ভৰণি		2,300
				28	ডাক ভৰণি		520
				29	ভাড়া		4,200
				29	মজুৰী আৰু দৰমহা		8,250
				30	ক্ৰয়		11,000
				30	উদ্বৃত্ত, আগলৈ		27,960
			1,19,600				1,19,600
অক্টো 01	উদ্বৃত্ত, আগৰ পৰা		27,960				

উদাহৰণ-2

তলৰ লেনদেনসমূহ দ্বি-স্তম্ভযুক্ত নগদ বহীত লিপিবদ্ধ কৰা আৰু ইয়াৰ উদ্বৃত্ত নিৰ্ণয় কৰা।

তাৰিখ	বিশদ	টকাৰ পৰিমাণ
2005		
আগষ্ট 01	হাতে জমা উদ্বৃত্ত	15,000
	বেংকত জমা উদ্বৃত্ত	10,000
03	চেকেৰে বীমা কিস্তি প্ৰদান	4,200
08	নগদ বিক্ৰী	22,000
	নগদ বাট্টা	750
09	নগদ ক্ৰয়ৰ বাবে পৰিশোধ	21,000
	নগদ বাট্টা	700
09	বেংকত নগদ জমা	15,000
10	টেলিফোন বিল চেকেৰে প্ৰদান	2,300
14	ব্যক্তিগত ব্যৱহাৰৰ বাবে বেংকৰ পৰা আহৰণ	6,000
16	কাৰ্য্যালয়ৰ বাবে বেংকৰ পৰা আহৰণ	14,500
20	সম্পূৰ্ণ আৰু অন্তিম নিষ্পত্তিত জোনৰ পৰা চেক পালে আৰু বেংকত জমা দিলে	10,700
23	মাইকেলৰ পৰা নগদ প্ৰাপ্তি	6,850
	বাট্টা প্ৰদান	150
24	মনোহাৰী নগদ ক্ৰয়	1,800
25	গাড়ীভাৰা নগদ পৰিশোধ	350
25	কুমাৰৰ পৰা চেক প্ৰাপ্তি	4,500
28	কুমাৰৰ পৰা পোৱা চেকখন বেংকত জমা	4,500
31	আগষ্ট 28 তাৰিখত জমা দিয়া চেকখন প্ৰত্যাখ্যান হ'ল আৰু বেংকে ঘূৰাই দিলে	4,000
31	চেকেৰে ভাড়া পৰিশোধ	3,000
31	প্ৰহৰীক নগদ টকাৰে মজুৰী পৰিশোধ ডাক টিকটৰ বাবে নগদ প্ৰদান	220

সমাধান

নগদ বহী (Cash Book)

ডে. ক্রে.

তাৰিখ	বিবৰণ	খ. পৃ.	নগদ টকা	বেংক টকা	তাৰিখ	বিবৰণ	খ পৃ.	নগদ টকা	বেংক টকা
2005					2005				
আ 01	উদ্বৃত্ত, আগৰ পৰা		15,000	10,000	আ 03	বীমা			4,200
08	বিক্রয়		22,000		09	ক্রয়		21,000	
09	নগদ টকা	বি		15,000	09	বেংক	বি	15,000	
16	বেংক	বি	14,500		10	টেলিফোন ভৰণি		21,000	
20	জোন			10,700	14	আহৰণ			6,000
23	মাইকেল		6,850		16	নগদ টকা	বি		14,500
25	কুমাৰ		4,500		24	ছপা আৰু মনোহাৰী		1,800	
28	নগদ টকা	বি		4,500	25	গাড়ী ভাৰা		350	
					28	বেংক	বি	4,500	
					31	কুমাৰ			4,500
					31	ভাড়া			4,000
					31	মজুৰী		3,000	
					31	ডাক টিকট		220	
					31	উদ্বৃত্ত, আগলৈ		16,980	4,700
			6,2850	40,200				62,850	40,200
চে 01	উদ্বৃত্ত, আগৰ পৰা		16,980	4,700					

উদাহৰণ - 3

মেচার্চ লেজাৰ জোনৰ তলত দিয়া লেনদেনসমূহৰ পৰা 2005 চনৰ জানুৱাৰী মাহৰ বেংকস্তম্ভযুক্ত নগদ বহী প্রস্তুত কৰা আৰু সিবিলাকক নিজ নিজ খতিয়ন হিচাপভুক্ত কৰা।

তাৰিখ	বিশদ	টকাৰ পৰিমাণ
জানু 01	হাতে জমা নগদ টকা	4,000
	জমাতিৰিক্ত	3,200
04	মজুৰী প্রদান	400
05	নগদ বিক্রয়	7,000
07	চেকেৰে পণ্য ক্রয়	2,000

09	নগদ ধনেৰে আচবাব ক্রয়	2,200
11	ৰোহিতক নগদ টকা পৰিশোধ	2,000
13	নগদ বিক্রয়	4,500
14	বেংকত জমা	7,000
16	জমাতিৰিক্ত ওপৰত বেংকে ধাৰ্য্য কৰা সুদ	200
20	চেকেৰে টেলিফোন বিল পৰিশোধ	600
25	পণ্য বিক্রয় আৰু চেক প্রাপ্তি (সিদিনাই জমা)	300
27	ভাড়া পৰিশোধ	800
29	ব্যক্তিগত ব্যৱহাৰৰ বাবে নগদ টকা আহৰণ	500
30	দৰমহা পৰিশোধ	1,000
31	বেংকে সুদ সংগ্রহ কৰিলে	1,700

সমাধান

লেজাৰ জোনৰ বহী (Books of the Laser Zone)

নগদ বহী (Cash Book)

ডে. ক্রে.

তাৰিখ	বিবৰণ	খ. পৃ.	নগদ টকা	বেংক টকা	তাৰিখ	বিবৰণ	খ পৃ.	নগদ টকা	বেংক টকা
2005					2005				
জানু 01	উদ্বৃত্ত, আগৰ পৰা		4,000		জানু 01	উদ্বৃত্ত আগৰ পৰা			3,200
05	বিক্রয়		7,000		04	মজুৰী		400	
13	বিক্রয়		4,500		09	ক্রয়			2,000
14	নগদ টকা	বি		7,000	09	আচবাব		2,200	
25	বিক্রয়			3,000	11	ৰোহিত		2,000	6,000
31	সুদ			1,700	14	বেংক	বি	7,000	14,500
						জমাতিৰিক্তৰ সুদ			200
						টেলিফোন			600
						ভাড়া		800	
						আহৰণ		500	
						দৰমহা		1,000	
						উদ্বৃত্ত, আগলৈ		1,600	5,700
				15,500	11,700			15,500	11,700
ফেব্রু 01	উদ্বৃত্ত, আগৰ পৰা			1,600	5,700				

মজুৰী হিচাপ (Wages Account)

ডে. ক্রে.

তাৰিখ	বিবৰণ	খ. পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	খ পৃ.	টকাৰ পৰিমাণ
2005 জানু 04	নগদ		400				

বিক্ৰয় হিচাপ (Sales Account)

ডে. ক্রে.

তাৰিখ	বিৱৰণ	খ. পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	খ পৃ.	টকাৰ পৰিমাণ
				2005			
				জানু 05	নগদ		7,000
				13	নগদ		4,500
				25	বেংক		3,000

ক্ৰয় হিচাপ (Purchases Account)

ডে. ক্রে.

তাৰিখ	বিবৰণ	খ. পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	খ পৃ.	টকাৰ পৰিমাণ
2005 জানু 07	বেংক		2,000				

আচবাব হিচাপ (Furniture Account)

ডে. ক্রে.

তাৰিখ	বিবৰণ	খ. পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	খ পৃ.	টকাৰ পৰিমাণ
2005 জানু 09	নগদ		2,200				

ৰোহিত হিচাপ (Rohit Account)

ডে. ক্রে.

তাৰিখ	বিবৰণ	খ. পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	খ পৃ.	টকাৰ পৰিমাণ
2005 জানু 11	নগদ		2,000				

জমাতিৰিক্তৰ সুদ (পৰিশোধ) হিচাপ [Overdraft Interest (paid) Account]

তাৰিখ	বিবৰণ	খ. পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	খ পৃ.	টকাৰ পৰিমাণ
2005 জানু 16	নগদ		200				

টেলিফোন ব্যয় হিচাপ (Telephone Expenses Account)

তাৰিখ	বিবৰণ	খ. পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	খ পৃ.	টকাৰ পৰিমাণ
2005 জানু 20	বেংক		600				

ভাড়া হিচাপ (Rent Account)

তাৰিখ	বিবৰণ	খ. পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	খ পৃ.	টকাৰ পৰিমাণ
2005 জানু 27	নগদ টকা		800				

আহৰণ হিচাপ (Drawings Account)

তাৰিখ	বিবৰণ	খ. পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	খ পৃ.	টকাৰ পৰিমাণ
2005 জানু 29	নগদ টকা		500				

দৰমহা হিচাপ (Salary Account)

তাৰিখ	বিবৰণ	খ. পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	খ পৃ.	টকাৰ পৰিমাণ
2005 জানু 30	নগদ		1,100				

সুদ (প্ৰাপ্তি) হিচাপ [Interest (Received) Account]

তাৰিখ	বিবৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	জা পৃ.	টকাৰ পৰিমাণ
				2005 জানু 31	বেংক		1,700

উদাহৰণ - 4

তলৰ দেনদেনসমূহৰ পৰা মেচার্চ এডভাঞ্চ টেকনোল'জী প্রা. লিমিটেডৰ 2005 চনৰ ডিচেম্বৰ মাহৰ দ্বিস্তম্ভযুক্ত নগদ বহী প্ৰস্তুত কৰা।

তাৰিখ	বিশদ	টকাৰ পৰিমাণ
2005		
ডিচে 01	হাতে জমা নগদ টকা	3,065
	বেংকত জমা	6,780
02	খুচুৰা নগদ ৰক্ষকক নগদ টকা প্ৰদান	1,000
03	প্ৰিয়াৰ পৰা চেক প্ৰাপ্তি	3,000
04	নগদ বিক্ৰয়	2,000
05	বেংকত জমা দিয়া	1,200
06	প্ৰিয়াৰ চেকখন বেংকত জমা	3,000
08	চেকেৰে আচবাব ক্ৰয়	6,500
10	বানিজ্যিক খৰচ পৰিশোধ	400
12	নগদ বিক্ৰয়	9,000
13	বেংক ভৰণি	300

15	বেংকে লাভ্যাংশ সংগ্ৰহ কৰে	1,200
16	বিদ্যুৎ বিল চেকেৰে পৰিশোধ	600
17	নগদ ক্ৰয়	2,000
19	বিজ্ঞাপনৰ বাবে পৰিশোধ	1,000
21	পণ্য বিক্ৰয় আৰু চেক প্ৰাপ্তি (সিদিনাই জমা)	6,000
22	আইনৰ খৰচ পৰিশোধ	500
23	ব্যক্তিগত খৰচৰ বাবে বেংকৰ পৰা আহৰণ	2,000
24	সংস্থাপন ব্যয় পৰিশোধ	340
25	বিল বহীৰ ছপা খৰচ পৰিশোধ	850
26	বীমা কিস্তি চেকেৰে পৰিশোধ	2,150
27	নগদ বিক্ৰয়	7,200
28	চেকেৰে দৰমহা প্ৰদান	4,000
29	ভাড়া পৰিশোধ	3,000
30	চেকত দস্তুৰি প্ৰাপ্তি (সিদিনাই জমা)	2,500
31	চেকেৰে বৰঙণি প্ৰদান	800

এডভান্স টেকনোল'জীৰ বহী (Books of Advance Technology)

নগদ বহী (Cash Book)

তাৰিখ	বিবৰণ	খ. পৃ.	নগদ টকা	বেংক টকা	তাৰিখ	বিবৰণ	খ পৃ.	নগদ টকা	বেংক টকা
2005					2005				
ডিচে 01	উদ্বৃত্ত, আগৰ পৰা		3,065	6,780	ডিচে 02	খুচুৰা নগদ ৰক্ষক		1,000	
03	প্ৰিয়া		3,000		05	বেংক	বি	1,200	
04	বিক্ৰয়		2,000		06	বেংক		3,000	
05	নগদ টকা	বি		1,200	08	আচবাব			6,500
06	নগদ টকা	বি		3,000	10	বাণিজ্যিক ব্যয়		400	
12	বিক্ৰয়		9,000		13	বেংক ভৰণি			300
15	লাভ্যাংশ			1,200	16	বেংক ভৰণি			600
21	বিক্ৰয়	বি		6,000	17	ক্ৰয়		2,000	
27	বিক্ৰয়		7,200		19	বিজ্ঞাপন		1,000	
30	দস্তুৰি			2,500	22	আইন ব্যয়		5000	

					23	আহৰণ			2,000
					24	কৰ্মচাৰীৰ ব্যয়		340	
					25	ছপা		850	
					26	বীমা কিস্তি			2,150
					28	দৰমহা			4,000
					29	ভাড়া		3,000	
					31	বৰঙণি			800
					31	উদ্বৃত্ত, আগলৈ		10,975	4,330
			24,265	20,680				24,265	20,680
2006									
জানু 01	উদ্বৃত্ত, আগৰ পৰা		10,975	4,330					

ii) খতিয়ন ভুক্তকৰণ

খুচুৰা নগদ ৰক্ষকৰ হিচাপ (Petty Cashier's Account)

ডে. ক্রে.

তাৰিখ	বিবৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005							
ডিচে 02	নগদ টকা		1,000				

প্ৰিয়াৰ হিচাপ (Priya's Account)

ডে. ক্রে.

তাৰিখ	বিবৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	জা পৃ.	টকাৰ পৰিমাণ
				2005			
				ডিচে 03	নগদ টকা		3,000

ডে. ক্রে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
				2005			
				ডিচে 04	নগদ টকা		2,000
				12	নগদ টকা		9,000
				21	বেংক		6,000
				27	নগদ টকা		7,200

আচবাব হিচাপ (Furniture Account)

ডে. ক্রে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005							
ডিচে 08	বেংক		6,500				

বানিজ্যিক ব্যয় হিচাপ (Trade Expenses Account)

ডে. ক্রে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005							
ডিচে 10	নগদ টকা		400				

বেংক ভৰণি হিচাপ (Bank Charges Account)

ডে. ক্রে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005							
ডিচে 13	নগদ টকা		300				

লাভ্যাংশ হিচাপ (Dividend Account)

ডে. ক্রে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
				2005 ডিচে 15	বেংক		1,200

বিদ্যুৎ ব্যয় হিচাপ (Electrical Charge Account)

ডে. ক্রে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005 ডিচে 16	বেংক		600				

ক্রয় হিচাপ (Purchases Account)

ডে. ক্রে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005 ডিচে 17	নগদ টকা		2,000				

বিজ্ঞাপনৰ হিচাপ (Advertisement Account)

ডে. ক্রে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005 ডিচে 19	নগদ টকা		1,000				

আইনৰ ব্যয় হিচাপ (Legal Charges Account)

ডে. ক্রে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005 ডিচে 22	নগদ টকা		500				

আহৰণ হিচাপ (Drawings Account)

ডে. ক্ৰে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005 ডিচে 23	বেংক		2,000				

সংস্থাপন ব্যয় হিচাপ (Establishment Expenses Account)

ডে. ক্ৰে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005 ডিচে 24	বেংক		340				

ছপা হিচাপ (Printing Account)

ডে. ক্ৰে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005 ডিচে 25	নগদ টকা		850				

বীমা কিস্তি হিচাপ (Insurance Premium Account)

ডে. ক্ৰে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005 ডিচে 25	বেংক		2,150				

দৰমহা হিচাপ (Salary Account)

ডে. ক্ৰে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005 ডিচে 28	বেংক		4,000				

ভাড়া হিচাপ (Rent Account)

ডে. ক্রে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005 ডিচে 29	নগদ টকা		3,000				

ডে. **দস্তুৰি প্ৰাপ্তি হিচাপ** (Commission Received Account) ক্রে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
				2005 ডিচে 30	বেংক		2,500

ডে. **বৰঙণি হিচাপ** (Charity Account) ক্রে.

তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ.	টকাৰ পৰিমাণ
2005 ডিচে 30	বেংক		800				

4.2 ক্রয় (জাবেদা) বহী [Purchases (Journal) Book]

বাকীত ক্রয় কৰা পণ্যবোৰক ক্রয় জাবেদাত লিপিবদ্ধ কৰা হয় আনহাতে নগদ ক্রয় কৰা পণ্যবোৰক নগদ বহীত লিখা হয়। অন্য ক্রয়সমূহ যেনে কাৰ্যালয়ৰ সঁজুলি, আচবাব, ভৱন বাকীত ক্রয় কৰিলে প্ৰকৃত জাবেদাত আৰু নগদ ক্রয় কৰিলে নগদ বহীত লিখা হয়। এনে লেনদেনসমূহ বহীত লিপিবদ্ধ কৰাৰ বাবে ব্যৱসায়ে পণ্য যোগানকাৰীৰ পৰা পোৱা চালান বা বিলক মূল দলিল হিচাপে গণ্য কৰে। চালানত উল্লেখ থকা টকাৰ প্ৰকৃত পৰিমাণেৰে এইবিলাক লিখা হয়। এই বহীত বাণিজ্যিক বাট্টা আৰু চালানৰ অন্যান্য বিশদবিলাক লিখিব নালাগে। চিত্র 4.6 ত ক্রয় জাবেদাৰ এটা নমুনা দিয়া হ'ল ঃ

ক্রয় (জাবেদা) বহী [Purchases (Journal) Book]

তাৰিখ	চালান নং	যোগানকাৰীৰ নাম (ক্রেডিট কৰিব লগীয়া হিচাপ)	খৃ. পৃ.	টকাৰ পৰিমাণ

চিত্র 4.6 ক্রয় (জাবেদা) বহীৰ নমুনা

ক্রয় বহীৰ প্রতিমাহৰ যোগফলকেই খতিয়নত থকা ক্রয় হিচাপৰ ডেবিট পক্ষত লিখা হয় অৱশ্যে যোগানকাৰীৰ ব্যক্তিগত হিচাপসমূহ প্রতিদিনে লিখিব পাৰি। মেৰ্চাচ কণিকা ট্রেডার্ছৰ তলত বিশদভাবে দিয়া সমূহ চোৱা আৰু এইবিলাক ক্রয় জাবেদাত কেনেদৰে লিখা হয় লক্ষ্য কৰা।

তাৰিখ 2005	**বিশদ**
আগষ্ট 04	মেচাৰ্চ নীমা ইলেক্টনিক্স (চালান নং 3250) পৰা ক্রয় ঃ প্রতিটোত 2,000 টকাকৈ 20 টা সৰু আকাৰৰ টিভি, প্রতিটোত 12,500 টকাকৈ 15 টা টেপ ৰেকৰ্ডাৰ, সকলো সামগ্রীৰ ওপৰত 20% হাৰত বাণিজ্যিক বাট্টা।
আগষ্ট 10	মেচাৰ্চ পৱন ইলেক্টনিক্স (চালান নং 8260) পৰা ক্রয় ঃ প্রতিখনত 150 টকাকৈ 10 খন ভিডিঅ কেচেট, প্রতিটোত 1,650 টকাকৈ 20 টা টেপ ৰেকৰ্ডাৰ। ক্রয়ৰ ওপৰত 10% হাৰত বাণিজ্যিক বাট্টা।
আগষ্ট 18	মেচাৰ্চ নৰ্থান ইলেক্টনিক্সৰ (চালান নং 4265) পৰা ক্রয় ঃ প্রতিখনত 4000 টকাকৈ 15 টা নৰ্থান ৰঙীন টিভি; 12.5% হাৰত বাণিজ্যিক বাট্টা।
আগষ্ট 26	মেচাৰ্চ নীমা ইলেক্টনিক্সৰ (চালান নং 3294) পৰা ক্রয় ঃ প্রতিটোত 1000 টকাকৈ 10 টা সৰু আকাৰৰ টিভি, প্রতিটোত 12,500 টকাকৈ 5 টা ৰঙীন টি ভি; বাণিজ্যিক বাট্টা 10% হাৰত।
আগষ্ট 29	মেচাৰ্চ পৱন ইলেক্টনিক্সৰ পৰা ক্রয় (চালান নং 8281) ঃ প্রতিখনত 150 টকাকৈ 20 টা ভিডিঅ কেচেট, প্রতিটোত 1600 টকাকৈ 25 টা টেপ ৰেকৰ্ডাৰ-ক্রয়ৰ ওপৰত 10% হাৰত বাণিজ্যিক বাট্টা ।

কনিকা ট্ৰেডাৰ্ছৰ বহী (Books of Konica Traders)
ক্ৰয় (জাবেদা) বহী [Purchase (Journal) Book]

তাৰিখ	চালান নং	যোগানকাৰীৰ নাম (ক্ৰেডিট কৰিবলগীয়া হিচাপ)	খ. পৃ	টকাৰ পৰিমাণ
2005				
আগষ্ট 04	3250	নীলা ইলেক্টনিক্স		1,82,000
আগষ্ট 10	8260	পৱন ইলেক্টনিক্স		31,050
আগষ্ট 18	4256	নৰ্থান ইলেক্টনিক্স		3,06,250
আগষ্ট 26	3294	নীমা ইলেক্টনিক্স		54,000
আগষ্ট 29	8281	পৱন ইলেক্টনিক্স		38,700
আগষ্ট 31				6,12,000

ক্ৰয় জাবেদাৰ পৰা সিহঁতৰ নিজ নিজ হিচাপলৈ প্ৰতিদিনেই উপযুক্ত পৰিমাণেৰে ক্ৰেডিট দিশত স্থানান্তৰ কৰা হয়। সাধাৰণতে, মাহেকীয়া ভিত্তিত ক্ৰয় জাবেদাৰ যোগফল ক্ৰয় হিচাপত ডেবিট কৰা হয়। অৱশ্যে যদি লেনদেনত সংখ্যা অধিক হয়, এক সুবিধাজনক সময়কালৰ অন্তত, ধৰা প্ৰতিদিন, সাপ্তাহিক অথবা পষেকীয়া ভিত্তিত যোগফল নিৰ্ণয় কৰি স্থানান্তৰ কৰিব পাৰি। ক্ৰয় জাবেদাৰ পৰা খতিয়নলৈ কেনেদৰে স্থানান্তৰ কৰা হয় তাক তলত ব্যাখ্যা কৰা হ'ল ঃ

কনিকা ট্ৰেডাৰ্ছৰ বহী
নীমা ইলেক্ট্ৰনিক্স

ডে ক্ৰে.

তাৰিখ	বিবৰণ	খ. পৃ	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	জা পৃ	টকাৰ পৰিমাণ
				2005			
				আ 04	ক্ৰয়		1,82,000
				26	ক্ৰয়		54,000

পৱন ইলেক্ট্ৰনিক্স

তাৰিখ	বিৱৰণ	খ. পৃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ	টকাৰ পৰিমাণ
				2005			
				আ 10	ক্ৰয়		31,050
				29	ক্ৰয়		38,700

নৰ্থান ইলেক্ট্ৰনিক্স

তাৰিখ	বিৱৰণ	খ. পৃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ	টকাৰ পৰিমাণ
				2005			
				আ 18	ক্ৰয়		3,06,250

ক্ৰয় হিচাপ

তাৰিখ	বিৱৰণ	খ. পৃ	টকাৰ পৰিমাণ	তাৰিখ	বিৱৰণ	জা পৃ	টকাৰ পৰিমাণ
2005							
আ 31	বিভিন্ন, ক্ৰয় জাবেদা অনুসৰি		6,12,000				

4.3 ক্ৰয় ফিৰৎ (জাবেদা বহী) [Purchases Return (Journal) Book]

ক্ৰয় কৰা পণ্য ফিৰৎ দিলে এই বহীত লিখা হয়। ক্ৰয় কৰা পণ্য কেতিয়াবা যোগানকাৰীক বিভিন্ন কাৰণত যেনে যথোচিত গুণ, দোষযুক্ত আদি হ'লে ঘূৰাই দিয়া হয়। প্ৰতিটো ফিৰৎত একোটা দেনালিপি (Debit note) প্ৰতিলিপিসহ প্ৰস্তুত কৰি মূল লিপিখন যোগানকাৰীলৈ পঠোৱা হয় যাতে তেওঁৰ বহীৰ আৱশ্যকীয় প্ৰবিষ্টি লিখিব পাৰে। যোগানকাৰীয়েও এখন লিপি প্ৰস্তুত কৰিব পাৰে যাক পাওনালিপি (Credit Note) বোলা হয়। ক্ৰয় ফিৰৎ প্ৰবিষ্টি কৰাৰ বাবে সাধাৰণতে দেনালিপিক মূল দলিল হিচাপে গণ্য কৰা হয়। দেনালিপিত পক্ষৰ (যিজনলৈ পণ্য ঘূৰাই দিয়া হয়) নাম, পণ্য ফিৰৎৰ বিষয়ে বিশদ ভাবে আৰু পণ্য ফিৰৎ দিয়াৰ কাৰণ উল্লেখ কৰা হয়। প্ৰতিখন দেনালিপিক ক্ৰমাংকসহ তাৰিখ দিব লাগে। চিত্ৰ 4.7 (a) ত ক্ৰয় ফিৰৎ জাবেদাৰ এটা নমুনা দিয়া হ'ল ঃ

ক্ৰয় ফিৰৎ (জাবেদা বহী) [Purchases Return (Journal) Book]

তাৰিখ	বিৱৰণ	যোগানকাৰীৰ নাম	খ. পৃ	টকাৰ পৰিমাণ

চিত্ৰ 4.7 (a) ক্ৰয় ফিৰৎ (জাবেদা) বহীৰ নমুনা

কোঠালী 2

দেনালিপি আৰু পাওনালিপি (Debit and Credit notes) ঃ দেনালিপি এনে এখন নথি যাৰ সহায়ত পণ্য বাকীত বিক্ৰী কৰাৰ বাহিৰেও আন কাৰণত কোনো পক্ষক ডেবিট কৰিব পাৰি। পণ্য যোগানকাৰীক ঘূৰাই দিলে যোগানকাৰীক ডেবিট কৰাৰ বাবে এখন লিপি বা পত্ৰ প্ৰস্তুত কৰা হয় অথবা যেতিয়া গ্ৰাহকৰ পৰা অতিৰিক্ত পৰিমাণৰ ধন পাবলগীয়া হয় তেতিয়া অতিৰিক্ত পৰিমাণৰ ধনখিনিৰে এনে এখন লিপি প্ৰস্তুত কৰা হয় যাতে গ্ৰাহকক ডেবিট কৰিব পাৰি। এনে দুই ধৰণৰ লিপিক দেনালিপি বোলা হয়। (চিত্ৰ 4.7 (b) চোৱা)

বাকীত ক্ৰয়ক বাদ দিও আন কাৰণত কোনো পক্ষক ক্ৰেডিট কৰিব লগীয়া হ'লে পাওনালিপি প্ৰস্তুত কৰা হয়। ইয়াক সাধাৰণতে ৰঙা চিয়াহীৰে প্ৰস্তুত কৰা হয়। গ্ৰাহকৰ পৰা পণ্য ফিৰৎ পালে, গ্ৰাহকজনলৈ এখন পাওনালিপি পঠাব লাগে। চিত্ৰ 4.7 (b) ত পাওনালিপিৰ নমুনা এটা দিয়া হ'ল।

লিপি বিলি কৰা ব্যৱসায়ৰ নাম

নম্বৰ ব্যৱসায়ৰ ঠিকনা

বিলি কৰা তাৰিখ.....

দেনা লিপি

বিপক্ষ ঃ যোগানকাৰীৰ নাম

পণ্য ফিৰৎ, যোগান ধৰা চালান নং টকাৰ পৰিমাণ

(পণ্য ফিৰৎৰ সবিশেষ)

(টকা .... মাত্ৰ)

ব্যৱস্থাপক (মেনেজাৰ) ৰ স্বাক্ষৰ তাৰিখসহ

চিত্ৰ 4.7 (b) দেনালিপিৰ নমুনা

লিপি বিলি কৰা ব্যৱসায়ৰ নাম	
নম্বৰ	ব্যৱসায়ৰ ঠিকনা
	বিলি কৰা তাৰিখ
পাওনালিপি	
বিপক্ষ ঃ গ্ৰাহকৰ নাম	
গ্ৰাহকে ফিৰৎ দিয়া পণ্যৰ চালান নং	টকাৰ পৰিমাণ
(পণ্য ফিৰৎৰ সবিশেষ)	
(টকা .... মাত্ৰ)	
	ব্যৱস্থাপক (মেনেজাৰ) ৰ স্বাক্ষৰ তাৰিখসহ

চিত্ৰ 4.7 (c) পাওনালিপিৰ নমুনা

কণিকা টেড্রাৰ্চৰ ক্ৰয় (জাবেদা) বহীটো লক্ষ্য কৰিলে দেখা যায় যে এটা সৰু আকাৰৰ টি ভি আৰু 15 টা টেপৰেকৰ্ডাৰ নীমা ইলেক্ট্ৰিকেল্‌চৰ পৰা 1,82,000 টকাত ক্ৰয় কৰিছে। যিহওঁক, পণ্য যোগানৰ সময়ত দেখা গ'ল যে 2টা সৰু টিভি আৰু এটা টেপ ৰেকৰ্ডাৰ বেয়া আৰু দেনালিপি 30/2005 মৰ্মে ফিৰৎ দিলে। এইক্ষেত্ৰত ক্ৰয় ফিৰৎ বহী তলত দিয়া ধৰণে প্ৰস্তুত কৰা হ'ব।

ক্ৰয় ফিৰৎ (জাবেদা বহী) [Purchase Return (Journal) Book]

তাৰিখ	দেনালিপি	যোগানকাৰীৰ নাম (ডেবিট কৰিবলগীয়া হিচাপ)	খ. পৃ	টকাৰ পৰিমাণ
	30/2005	নীমা ইলেক্ট্ৰিকেলচ্		13,200
				13,200

ক্ৰয় ফিৰৎ জাবেদাৰ পৰা স্থানান্তৰ কৰিবলৈ যোগানকাৰীৰ ব্যক্তিগত হিচাপক ফিৰৎ দিয়া ধনৰ পৰিমাণেৰে ডেবিট আৰু ক্ৰয় ফিৰৎ হিচাপক নিৰ্দ্দিষ্ট সময়ছোৱাৰ যোগফলেৰে ক্ৰেডিট কৰিব লাগে।

নীমা ইলেক্ট্ৰিকেলচ হিচাপ

তাৰিখ	বিবৰণ	খ. পৃ	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	জা পৃ	টকাৰ পৰিমাণ
	ক্ৰয় ফিৰৎ		13,200				

ক্রয় ফিৰৎ হিচাপ

তাৰিখ	বিবৰণ	খৃ. পৃ	টকাৰ পৰিমাণ	তাৰিখ	বিবৰণ	জা পৃ	টকাৰ পৰিমাণ
					বিভিন্ন ক্রয় ফিৰৎ বহী অনুসৰি		13,200

4.4 বিক্রয় (জাবেদা) বহী [Sales (Journal) Book]:

বাণিজ্যিক পণ্যক বাকীত বিক্রী কৰা সকলোবোৰ বিক্রয় জাবেদাত লিখা হয়। নগদ বিক্রয়ক নগদ বহীত লিখা হয়। বিক্রয় জাবেদাৰ নমুনা আগতে উল্লেখ কৰা ক্রয় জাবেদাৰ সতে একে। ব্যৱসায়ে গ্রাহকক বিলি কৰা বিক্রয় চালান বা বিলক মূল দলিল হিচাপে লৈ বিক্রয় জাবেদাত প্রবিষ্টি কৰা হয়। বিক্রয় জাবেদাত বিক্রীৰ তাৰিখ, চালান নম্বৰ, গ্রাহকৰ নাম আৰু চালানত উল্লেখ কৰা ধনৰ পৰিমাণ আদি লিখা হয়। বিক্রয় লেনদেনৰ পৰিশোধৰ চৰ্তকে ধৰি আন বিষয় বিলাক চালানত বিশদভাৱে পোৱা হয়। প্রকৃততে, প্রত্যেকটো বিক্রয়ৰ বাবে দুখন বা ততোধিক প্রতিলিপিৰে একোখন বিক্রয় চালান প্রস্তুত কৰে। বিক্রয় চালানৰ এনে এক প্রতিলিপিৰ সহায়ত হিচাপৰক্ষকে বিক্রয় জাবেদাত লিখে। বিক্রয় জাবেদাৰ নমুনা চিত্র 4.8 ত দেখুওৱা হ'ল। গ্রাহকৰ পৰা আদায় কৰা আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰত চৰকাৰক পৰিশোধ কৰিব লগীয়া বিক্রী কৰৰ বিষয়ে লিখাৰ বাবে বিক্রয় জাবেদাত এটা অতিৰিক্ত স্তম্ভ যোগ দিব পাৰি। সময়ে সময়ে, প্রতিমাহৰ অন্তত টকাৰ পৰিমাণৰ স্তম্ভটোক যোগ কৰি খতিয়ানত ৰখা বিক্রয় হিচাপৰ ক্রেডিটত ভৰ্ত্তি কৰা হয়। প্রতিদিনে গ্রাহকৰ ব্যক্তিগত হিচাপৰ ডেবিট দিশলৈ স্থানান্তৰ কৰিব পাৰি।

বিক্রয় (জাবেদা বহী) [Sales (Journal) Book]

